# Telephone conversation between PM and President of Brazil

April 04, 2020

---

# প্ৰধানমন্ত্ৰী আৰু ব্ৰাজিলৰ ৰাষ্ট্ৰপতিৰ মাজত টেলিফোনযোগে বাৰ্তালাপ

এপ্ৰিল 04, 2020

প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোডীয়ে আজি ব্ৰাজিলৰ ৰাষ্ট্ৰপতি মাননীয় জেইৰ মেছ্ছিয়াছ বলছনাৰে এক টেলিফোনিক বাৰ্তালাপত মিলিত হয়। দুয়োগৰাকী নেতাই ক'ভিড-১৯ মহামাৰী বিয়পি পৰাৰ ফলত বিশ্বজুৰি সৃষ্টি হোৱা পৰিস্থিতিৰ বিষয়ে আলোচনা কৰে।

ক'ভিড-19ৰ ফলত ব্ৰাজিলত প্ৰাণহানি হোৱা লোকসকলৰ প্ৰতি প্ৰধানমন্ত্ৰীয়ে গভীৰ শোক প্ৰকাশ কৰে। এই সময়ত ব্ৰাজিলৰ বন্ধুত্বসুলভ লোকসকলৰ হকে প্ৰতিগৰাকী ভাৰতীয়ই প্ৰাৰ্থনা জনাইছে বুলি প্ৰধানমন্ত্ৰীয়ে কয়।

দুয়োগৰাকী নেতাই ক'ভিড-১৯এ ছানি ধৰা সংকট নিৰ্মূলৰ বাবে দ্বিপাক্ষিক তথা বহুপাক্ষিক প্ৰতিষ্ঠানগত পৰিকাঠামোৰ ক্ষেত্ৰত ভাৰত আৰু ব্ৰাজিলৰ মাজত নিবিড় সহযোগিতাৰ গুৰুত্বৰ ওপৰত জোৰ দিয়ে। কৰোনাৰ পৰৱৰ্তী সময়ৰ কাৰণে বিশ্বক গোলকীকৰণৰ এটি মানৱকেন্দ্ৰিক নতুন ধাৰণা তৈয়াৰ সন্দৰ্ভত দুয়োগৰাকী নেতাই সহমত প্ৰকাশ কৰে।

এই জটিল সময়ছোৱাত প্ৰধানমন্ত্ৰী মোডীয়ে ব্ৰাজিলৰ ৰাষ্ট্ৰপতিক সাম্ভাব্য সকলো ধৰণৰ সহযোগিতা আগবঢ়োৱাৰ আশ্বাস দিয়ে। ক'ভিড-19ৰ বাবে সৃষ্টি হোৱা পৰিস্থিতি আৰু প্ৰত্যাহ্বানৰ পৰিপ্ৰেক্ষিতত উভয় দেশৰ বিষয়াবৰ্গই নিয়মীয়াকৈ যোগাযোগ স্থাপন কৰি যাব বুলি দুয়োগৰাকী নেতাই সহমতত ব্যক্ত কৰে।

চলিত বৰ্ষৰ ৭০সংখ্যক গণৰাজ্য দিৱসত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰাৰ বাবে ব্ৰাজিলৰ ৰাষ্ট্ৰপতিৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰি প্ৰধানমন্ত্ৰীয়ে ভাৰত-ব্ৰাজিলৰ সৌহাদ্যপূৰ্ণ সম্পৰ্ক আৰু বিকশিত হোৱাৰ উচাহত আনন্দ প্ৰকাশ কৰে। তেওঁ লগতে যোৱা বছৰ ব্ৰিকছ সন্মিলনৰ ক্ষেত্ৰত দিয়া নেতৃত্বৰ বাবে ব্ৰাজিলক ধন্যবাদ জনায়।

**নতুন দিল্লী**
**এপ্ৰিল 04, 2020**

DISCLAIMER : This is an approximate translation. The original is available in English on MEA's website and may be referred to as the official press release.